## ষোল্ল সংস্কাৰ:

মনুষ্য জীৱনৰ আধাৰ ষোল্ল সংস্কাৰ। শাস্ত্ৰ অনুসৰি এই ষোল্ল সংস্কাৰক প্ৰতিজনৰ বাবেই অপৰিহাৰ্য বুলি কোৱা হৈছে। প্ৰতিটো সংস্কাৰৰ স্বকীয় বৈশিষ্ট্যতাৰে মহিমামণ্ডিত। এই সংস্কাৰ সমূহৰ অবিহনে মনুষ্য জীৱন অপূৰ্ণ। এই ষোল্ল সংস্কাৰৰ বিষয়ে তলত উল্লেখ কৰা হ'ল—

১/ গৰ্ভাধান সংস্কাৰ: বংশবৃদ্ধি প্ৰক্ৰিয়াৰ জৰিয়তে এক সুস্থ, গুণৱান তথা আদৰ্শ সন্তান প্ৰাপ্তিৰ বাবে নিয়ম, আধ্যাত্মিকতা আৰু সংযমৰ মাজত থাকি স্বামী-স্ত্ৰীয়ে মিলন কাৰ্যৰ সংকল্প লৈ ক্ৰিয়াশীল হোৱাই হ'ল গৰ্ভাধান সংস্কাৰ।

২/ পুংসৱন সংস্কাৰ: গৰ্ভস্থ শিশুৰ বৌদ্ধিক তথা মানসিক বিকাশৰ বাবে এই সংস্কাৰ কৰা হয়। গৰ্ভধাৰণৰ দুই, তিনি-মাহৰ ভিতৰত এই সংস্কাৰ কৰা হয়। বিশেষকৈ পুষ্য নক্ষত্ৰত এই কাৰ্য কৰা হয়। ইয়াত গৰ্ভৱতী মাতৃগৰাকীক গৰ্ভস্থ সন্তানৰ প্ৰতিপালনৰ বিষয়ে অৱগত কৰোৱাৰ লগতে সন্তানৰ সু-স্বাস্থ্যৰ বাবে মাতৃগৰাকীক কিদৰে প্ৰতিপালন কৰা হ'ব, সেই বিষয়ে স্ত্ৰী গৰাকীৰ স্বামীক জোৰ দিয়া হয়।

৩/ সীমান্তোন্নয়ন সংস্কাৰ: গৰ্ভধাৰণৰ ছয়ৰ পৰা আঠ মাহৰ

ভিতৰত এই সংস্কাৰ কৰা হয়। ইয়াত গৰ্ভস্থ সন্তানৰ সুৰক্ষা তথা সুবিকাশৰ বিষয়ে পিতৃ-মাতৃক অৱগত কৰোৱা হয়। কাৰণ এই সময়ৰ পৰাই গৰ্ভস্থ শিশুৱে শিকিব পৰা ক্ষমতা প্ৰাপ্ত হয়। এই সময়ত শিশুৰ স্বভাৱ, চৰিত্ৰ, গুণ, কৰ্ম আদিৰ সৃষ্টি হ'বৰ বাবে পিতৃ-মাতৃউভয়কে যেই ধৰণৰ আচাৰ-আচৰণ, বিচাৰ-বিবেকেৰে প্ৰকাৰ জ্ঞান দিয়া হয়।

৪/ জাতকৰ্ম সংস্কাৰ: ষোল্ল সংস্কাৰ অন্য এক উল্লেখনীয় সংস্কাৰ হৈছে জাতকৰ্ম সংস্কাৰ। সন্তান এই সংস্কাৰত সন্তান জন্মৰ পিছে পিছতেই নাড়ী চেদনৰ আগে আগে নৱ জাতকক সোণ-ৰূপৰ বাচন, চামোচ আদিৰে দুটোপাল ঘি আৰু মৌৰ মিশ্ৰণ চেলেকোৱাত লগতে সন্তানটি যাতে গুণৱান, স্বাস্থ্যৱান হয় সেই উদ্দেশ্যে পিতৃয়ে প্ৰাৰ্থনা কৰাৰ পিছতহে নৱজাতকক মাতৃ দুগ্ধ পান কৰোৱা হয়।

৫/ নামকৰণ সংস্কাৰ: জন্মৰ এঘাৰ দিনৰ দিনা জ্যোতিষী, ব্ৰাহ্মণ আদি গুণী-জ্ঞানী ব্যক্তিৰ দ্বাৰা গ্ৰহ, নক্ষত্ৰ, ৰাশি আদি স্থিৰ কৰি নৱজাতকক নাম দিয়া নামেই হ'ল নামকৰণ সংস্কাৰ।

৬/ নিষ্ক্ৰমণ সংস্কাৰ: নৱজাতকক তিনিমাহ পৰ্যন্ত খোলা-পটীয়া সূৰ্যৰ তাপ, বাহিৰৰ বতাহ আদি লৈ'লৈ নিয়া নহয়। কাৰণ এই তিনিমাহ পৰ্যন্ত শিশুৰ দেহ অতি স্পৰ্শকাতৰ হৈ থাকে। সেয়েহে জন্মৰ চতুৰ্থ মাহত শিশুক পঞ্চতত্ত্বৰে সৈতে পৰিচয় কৰিবলৈ বাহিৰলৈ আনি চন্দ্ৰ, সূৰ্যৰ পোহৰ, তাপ আদিৰ লগত পৰিচয় কৰোৱাই দিয়া সংস্কাৰেই হ'ল নিষ্ক্ৰমণ।

৭/ অন্নপ্ৰাশন সংস্কাৰ: নৱজাতকক পাঁচ মাহলৈ জোকেৰিবলৰ গোটা আহাৰ খাবলৈ দিয়া নহয়। জন্মৰ ষষ্ঠ মাহৰ পৰাহে গোটা আহাৰ খাবলৈ দিয়াৰ বিধান আছে। এই নৱজাতকক গোটা আহাৰ খাবলৈ দিয়াৰ বিধানটোকে অন্নপ্ৰাশন সংস্কাৰ বুলি কোৱা হয়।

৮। <u>চূড়াকৰণ সংস্কাৰ</u>: মাতৃ গৰ্ভত থকা কালছোৱাত নৱজাতকৰ কেশত বহুতো বীজাণুৰ সৃষ্টি হয়। কিন্তু শিশুৰ কোমল অংগ বাবে সেয়া কাটিব পৰা নাযায়। সেয়েহে তৃতীয়, পঞ্চম নাইবা সপ্তম বছৰৰ ভিতৰত শিশুৰ চুলি খুৰোৱা হয়। ইয়াকে চূড়াকৰণ বোলা হয়। ইয়াৰ মাজেৰে শিশুৰ স্বাস্থ্য উন্নতি তথা বুদ্ধি আদিত অগ্ৰসৰ হয়।

৯। <u>বিদ্যাৰম্ভ সংস্কাৰ</u>: উচিত শিক্ষাৰ বাবে শিশুক অনুপ্ৰেৰণা যোগাবলৈ এক উৎসৱ সদৃশ পৰিৱেশত শিশুৰ বিদ্যাৰম্ভ কৰা প্ৰক্ৰিয়াই হৈছে বিদ্যাৰম্ভ সংস্কাৰ।

১০। <u>কৰ্ণবেধ সংস্কাৰ</u>: মস্তিষ্কলৈ যোৱা স্নায়ুবিলাকৰ তেজ প্ৰবাহ ভাল হোৱাৰ বাবে তথা শ্ৰৱণ শক্তি ভাল হোৱাৰ বাবে কাণত ছিদ্ৰ কৰা সংস্কাৰকেই কৰ্ণবেধ সংস্কাৰ বোলা হয়। ই এক ধৰণৰ কুলাচাৰ।

১১। <u>উপনয়ন বা যজ্ঞোপৱীত সংস্কাৰ</u>: গুৰুৰ ওচৰলৈ নি ত্ৰিগুণ-ত্ৰিগ্ৰন্থি যুক্ত (ব্ৰহ্মা, বিষ্ণু, ~~মহেশ্বৰ~~ ৰুদ্ৰ) যজ্ঞোপৱীত ধাৰণ কৰোৱাৰ প্ৰক্ৰিয়াই হ'ল উপনয়ন। এই উপনয়ন সংস্কাৰত গায়ত্ৰী ধাৰণ কৰাৰ পূৰ্বাভাস কৰোৱা হয়।

১২/ বেদাৰম্ভ সংস্কাৰ: ষোল্ল সংস্কাৰৰ আন এক উল্লেখনীয় সংস্কাৰ হৈছে বেদাৰম্ভ সংস্কাৰ। যজ্ঞোপবিত ধাৰণৰ পিছত বৈদিক শাস্ত্ৰ অধ্যয়নৰ বাবে গুৰুগৃহলৈ পঠিওৱাৰ ~~ইতিকাৰ্য্যৰ~~ প্ৰক্ৰিয়াই হৈছে বেদাৰম্ভ সংস্কাৰ। ইয়াত গুৰুৰ গৃহত থাকি অধ্যয়ন কৰাৰ লগতে গুৰুক সেৱা শুশ্ৰুষা আদি পালন কৰা হয়।

১৩/ কেশান্ত সংস্কাৰ: বৈদিক ~~শা~~ শাস্ত্ৰ অধ্যয়নৰ অন্তত গুৰুগৃহৰ পৰা পিতৃগৃহলৈ অহাৰ সময়ত পূৰ্বৰ কেশ কাটি কৰা প্ৰক্ৰিয়াই হ'ল কেশান্ত সংস্কাৰ।

১৪/ সমাবৰ্তন সংস্কাৰ: কেশান্ত সংস্কাৰৰ পিছত সৰ্বৌষধিযুক্ত আৰু কলহ পানীৰে স্নান কৰি ব্ৰহ্মচাৰী পীত বস্ত্ৰ আৰু দণ্ড ত্যাগ কৰি গুৰুৱে স্নাতক উপাধি ~~দিয়া হয়~~ প্ৰদান কৰে। তাৰ পিছত স্বগৃহলৈ গৈ গৃহস্থ ধৰ্ম পালন কৰিবৰ বাবে গুৰুৱে আশীৰ্বাদ প্ৰদান কৰি বিদায় দিয়ে।

১৫/ বিবাহ সংস্কাৰ: বিবাহ সংস্কাৰ হৈছে মনুষ্য জীৱনৰ আন এক উল্লেখনীয় সংস্কাৰ। এটা পৰিয়াল নিৰ্মাণৰ উপযুক্ত শাৰীৰিক, আৰু মানসিকভাৱে পৰিপক্ক যুৱক-যুৱতীক বৰ-বধূ হিচাপে একেলগে ~~থাকি~~ সহবস্থান কৰি গৃহস্থ ধৰ্ম পালনৰ বাবে অনুমোদন কৰোৱা হয়। ইয়াৰ দ্বাৰা সৃষ্টি বিকাশৰ পথ খোল খোৱাৰ লগতে পিতৃঋণৰ পৰা মুক্তি হয়।

১৬/ অন্ত্যেষ্টি সংস্কাৰ: ষোল্ল সংস্কাৰৰ অন্তিম তথা মনুষ্য জীৱনৰ শৰীৰ ত্যাগী সংস্কাৰেই হ'ল অন্ত্যেষ্টি সংস্কাৰ। শৰীৰ ত্যাগৰ পাছত মনুষ্যৰ নিৰ্জীৱ শৰীৰটো উচিত ৰীতি-নীতিৰ মাজেৰে অগ্নিত ~~সম~~ সমৰ্পণ কৰা প্ৰক্ৰিয়াটোৱেই হ'ল অন্ত্যেষ্টি সংস্কাৰ।